নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ▢ যোৰহাট সংস্কৰণ ▢ মুঠ পৃষ্ঠা ১২

০৩৭৬—২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ ত্ৰয়োদশ বছৰ সংখ্যা ১৩২ সোমবাৰ ১১ চ'ত ১৯৪৫ শক ২৫ মাৰ্চ ২০২৪ চন ASOMIYA KHABAR JORHAT MONDA

## মেঘালয়ৰ বিজ্ঞান প্ৰযুক্তি বিশ্ববিদ্যালয়ত ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ শৈক্ষিক বিনিময় অনুষ্ঠান

ষ্টাফ্ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৪ মাৰ্চ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন বেচৰকাৰী বিশ্ববিদ্যালয় মেঘালয়স্থিত বিজ্ঞান প্ৰযুক্তি বিশ্ববিদ্যালয়ৰ (ইউএছচিএম) স'তে ডি এইছ এছ কানৈ মহাবিদ্যালয়ৰ শৈক্ষিক বিনিময় কাৰ্যসূচী সম্পন্ন হয়। কানৈ মহাবিদ্যালয়ৰ কম্পিউটাৰ ছাইন্স বিভাগৰ মুৰব্বী অধ্যাপক হৰজিন্দৰ সিঙৰ নেতৃত্বত চতুৰ্থ ষান্মাসিকৰ বি চি এ বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে এই কাৰ্যসূচীত অংশ গ্ৰহণ কৰে। বিশ্ববিদ্যালয়খনৰ আমন্ত্ৰণ ক্ৰমে ২০ মাৰ্চত অনুষ্ঠিত কাৰ্যসূচীত বিশ্ববিদ্যালয়খনত উপস্থিত হোৱা কানৈ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনায়। এই উপলক্ষে অনুষ্ঠিত উদ্বোধনী কাৰ্যসূচীত বিশ্ববিদ্যালয়খনৰ কম্পিউটাৰ বিভাগৰ মুৰব্বী অধ্যাপক ড° ভৈৰৱ শৰ্মাই আদৰণি জনাই কয়, কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এই শৈক্ষিক বিনিময় কাৰ্যসূচীৰ যোগেদি জ্ঞান আৰু শিক্ষা আহৰণৰ এক নতুন অভিজ্ঞতা লাভ কৰিব। দুয়োখন শিক্ষানুষ্ঠানৰ মাজত জ্ঞান-শিক্ষাৰ আদান-প্ৰদান কৰি আগুৱাই যাব বুলিও তেওঁ মন্তব্য কৰে। তেওঁ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই লোৱা পদক্ষেপৰ প্ৰশংসা কৰি কৃতজ্ঞতা জনায়। মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ড° প্ৰিয় দেৱ গোস্বামীয়ে যোগাযোগ কৰি অনুষ্ঠানটো সফল কৰি তোলাৰ বাবে তেওঁকো ধন্যবাদ জনায়। বিশ্ববিদ্যালয়খনৰ কম্পিউটাৰ বিভাগৰ অধ্যাপিকা সংগীতা বৰকটকীয়ে কম্পিউটাৰ বিভাগৰ আলোকপাত কৰে। ছাত্ৰ-ছাত্ৰীৰ জ্ঞান-বিকাশৰ বাবে সেই অনুষ্ঠানতে অধ্যাপক আটোৱাৰ উল ইছলামে ডিবিএমএছ, আইঅ'টি আৰু এ আই শীৰ্ষক বিষয়ত বিশ্লেষণ আগবঢ়ায়। উল্লেখ্য যে কানৈ মহাবিদ্যালয়ৰ পৰা প্ৰতিনিধিত্ব কৰা দুগৰাকী অধ্যাপক-অধ্যাপিকাসহ ১৭ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা অনুষ্ঠানত বিশ্ববিদ্যালয় কৰ্তৃপক্ষই তেওঁলোকক আদৰণি জনোৱাৰ উপৰি বিশ্ববিদ্যালয়খনৰ বিভিন্ন বিভাগসমূহ পৰিদৰ্শন কৰায়। কানৈ মহাবিদ্যালয়ৰ কম্পিউটাৰ বিভাগৰ মুৰব্বী অধ্যাপক হৰজিন্দৰ সিঙে সমল ব্যক্তি হিচাপে বিশ্ববিদ্যালয়খনৰ কম্পিউটাৰ বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলক সাম্প্ৰতিক প্ৰযুক্তিনিৰ্ভৰ পৃথিৱীৰ গুৰুত্বপূৰ্ণ বিষয় 'দীপ লাৰ্ণিঙ'ৰ প্ৰযোজনীয়তাৰ সম্পৰ্কত বক্তৃতা প্ৰদান কৰে। সেই অনুষ্ঠানতে দুয়োখন শিক্ষানুষ্ঠানৰ সৈতে জড়িতসকলে বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান অংশ গ্ৰহণ কৰে। অনুষ্ঠানত বিশ্বৰিদ্যালয়খনৰ বহুকেইগৰাকী অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে বুলি জানিবলৈ দি অংশ গ্ৰহণকাৰীসকল দুয়োখন শিক্ষানুষ্ঠানৰ তৰফৰ ধন্যবাদ-কৃতজ্ঞতা জ্ঞাপন কৰে।